# সংশোধন সম্পৰ্কীয় গুৰুত্বপূৰ্ণ ঘোষণা

NRC
NATIONAL REGISTER OF CITIZENS

## আমাৰ এন আৰ চি, ন্যায়সংগত এন আৰ চি



অনলাইন সংশোধন প্ৰক্ৰিয়া ২৮ ফেব্ৰুৱাৰী, ২০১৯ তাৰিখলৈ বৃদ্ধি কৰা হৈছে। **এন এছ কে'সমূহত অফলাইন সংশোধন প্ৰক্ৰিয়া ৩১ জানুৱাৰী, ২০১৯ তাৰিখে বন্ধ হ'ব।**

আবেদনকাৰীৰ, পিতৃৰ, মাতৃৰ, স্বামী বা স্ত্ৰীৰ নামৰ বানান সংশোধন আৰু অন্যান্য বিৱৰণ যেনে বয়স/জন্মৰ তাৰিখ, লিঙ্গ, ঠিকনা (স্থায়ী বা বৰ্তমান) আৰু জন্মৰ স্থান সম্পৰ্কীয় অনলাইন সংশোধন কৰিবলৈ আবেদনকাৰীয়ে আমাৰ ৱেবচাইট **www.nrcassam.nic.in** চাব আৰু ***Online NRC Draft Correction Portal*** বুটামত ক্লিক কৰিব পাৰে

### অনুগ্ৰহ কৰি মন কৰক

- এটা আবেদন প্ৰাপ্তি নম্বৰ (ARN) পঞ্জীয়ন কৰিবলৈ এটা মোবাইল নম্বৰ কেৱল এবাৰহে ব্যৱহাৰ কৰিব পাৰিব
- সম্পূৰ্ণ খচৰা এন আৰ চি'ত নাম অন্তৰ্ভুক্ত হোৱা ব্যক্তিসকলৰ বিৱৰণৰহে সংশোধন কৰিব পৰা যাব
- সংশোধন ইংৰাজী/ অসমীয়া/ বাংলা/ বড়ো ভাষাত কৰিব পাৰিব
- পোৰ্টেলত কৰা সংশোধন আৰু সালসলনি মূল আবেদনপত্ৰত দিয়া বিৱৰণৰ লগত তুলনা কৰাৰ পিছতহে গ্ৰহণ কৰা হ'ব। গ্ৰাহ্য / অগ্ৰাহ্য হোৱাৰ ক্ষেত্ৰত এছ এম এছ পঠিওৱা হ'ব। এই প্ৰক্ৰিয়াত কেইমাহমান লাগিব পাৰে
- যোগাযোগৰ ঠিকনাত পৰিৱৰ্তন থাকিলে পঞ্জীয়নৰ সময়তেই কৰিব লাগিব। আবেদনকাৰীয়ে সংশোধন পোৰ্টেলত লগ্ ইন্ কৰাৰ পিছত বৰ্তমান / স্থায়ী ঠিকনাৰ সংশোধন কৰোঁতে কোনো নতুন ঠিকনা দিব নোৱাৰিব
- **পোৰ্টেল ব্যৱহাৰৰ পূৰ্বে ইউজাৰ মেনুৱেল (User Manual) ভালদৰে পঢ়ি ল'ব। "ৰিচিপ্ট জেনেৰেচন" (Receipt Generation) ৰ পিছত অৰ্থাৎ চূড়ান্ত দাখিলৰ পিছত অনলাইন বা এন আৰ চি সেৱা কেন্দ্ৰত মেনুৱেল সংশোধনী প্ৰপত্ৰৰ মাধ্যমেৰে কৰা কোনো পৰিৱৰ্তন গ্ৰাহ্য নহ'ব**
- 'মেনুৱেলি' দাখিল কৰা সংশোধন প্ৰপত্ৰত দিয়া বিৱৰণৰ লগত অনলাইনত কৰা সংশোধন / সালসলনিত কিবা বৈসাদৃশ্য দৃষ্টিগোচৰ হ'লে অনলাইনত দিয়া বিৱৰণক অগ্ৰাধিকাৰ দিয়া হ'ব
- সংশ্লিষ্ট এন আৰ চি সেৱাকেন্দ্ৰত যিসকলে সংশোধন প্ৰপত্ৰ দাখিল কৰিছে, তেওঁলোকেও অনলাইনত সংশোধন / সালসলনি কৰিব পাৰিব

*কোনো ব্যক্তিৰ / 'এ আৰ এন'ৰ সন্দৰ্ভত সেই 'এ আৰ এন' ব্যৱহাৰ কৰোঁতাৰ অনুমতি অবিহনে যিসকল লোকে কোনো ধৰণৰ সংশোধন / সালসলনি কৰিবলৈ চেষ্টা কৰে সেইসকল লোকৰ বিৰুদ্ধে ফৌজদাৰী কাৰ্য্যবিধি আইন অনুসাৰে কাৰ্য ব্যৱস্থা গ্ৰহণ কৰা হ'ব। যদি কোনো ব্যক্তিয়ে তেওঁৰ এ আৰ এন তেওঁৰ বিনা অনুমতিত কাৰোবাৰ দ্বাৰা ইতিমধ্যে পঞ্জীয়ন হোৱাৰ বা চূড়ান্তভাৱে দাখিল কৰাৰ কথা গম পায়, তেন্তে সেই বিষয়ে ততালিকে এন আৰ চি'ৰ কল চেন্টাৰ (বিনামূলীয়া নম্বৰ ১৫১০৭ত) বা সংশ্লিষ্ট এন আৰ চি সেৱা কেন্দ্ৰত জনোৱা উচিৎ।*

Exclusive/NRC/01-19

জনহিতাৰ্থে প্ৰচাৰিত

**ৰাজ্যিক সমন্বয়ক, এন আৰ চি, অসম চৰকাৰ**

**নাগৰিক পঞ্জীয়নৰ মহা পঞ্জীয়ক, গৃহ মন্ত্ৰালয়, ভাৰত চৰকাৰ**

বিশদভাৱে জানিবলৈ আৰু সহায়ৰ বাবে

আমাৰ ২৪ x ৭ বিনামূলীয়া হেল্পলাইন নম্বৰত ফোন কৰক

১৫১০৭ (অসমৰ বাবে)
১৮০০৩৪৫৩৭৬২ (অসমৰ বাহিৰৰ পৰা)

আমাৰ ৱেবচাইট
www.nrcassam.nic.in

nrcassam @NRCupdateAssam ত আমাক অনুসৰণ কৰক